# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 28-09-2024
**Time :** 18-45 Hrs

# ***Assamese Evening Bulletin***

::::::::::::::::::::

১। স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ আৰু দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ চালক পদৰ বাবে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত কাইলৈ ৭ লক্ষাধিক পৰীক্ষাৰ্থী অৱতীৰ্ণ। পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যজুৰি ইণ্টাৰনেট সেৱা বাতিল।

২। মেক্সিকোৰ ৰাষ্ট্ৰপতিৰ শপত গ্ৰহণ অনুষ্ঠানত অংশ লোৱাৰ উদ্দেশ্যে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা দেশখনলৈ ৰাওনা।

৩। কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৰ কটন বিশ্ববিদ্যালয়ত আয়োজিত তৃতীয় ভাৰত-জাপান শিক্ষা সন্মিলনত অংশগ্ৰহণ।

৪। আজি বিশ্ব জলাতংক দিৱস। ৰাজ্যৰ বিভিন্ন প্ৰান্তত সজাগতা কাৰ্যসূচী গ্ৰহণ।

আৰু

৫। ভাৰত আৰু বাংলাদেশৰ মাজত কানপুৰত চলি থকা দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল দ্বিতীয় দিনা বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা।

০০০০

স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ আৰু দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ চালক পদৰ বাবে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা কাইলৈ অনুষ্ঠিত হ'ব। মুঠ ৭ লাখ ৩৪ হাজাৰ ৮০ গৰাকী পৰীক্ষাৰ্থীয়ে অৱতীৰ্ণ হ'বলগীয়া এই পৰীক্ষাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ৰাজ্য চৰকাৰে এই পৰীক্ষা স্বচ্ছ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ লগতে পৰীক্ষা প্ৰক্ৰিয়াত অসাধু উপায় অৱলম্বন কৰাটো ৰোধ কৰাৰ বাবে পৰীক্ষা চলি থকা সময়ছোৱাত সমগ্ৰ ৰাজ্যখনতে পুৱা চাৰে আঠ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ মোবাইল ইণ্টাৰনেট বা মোবাইল ডাটা সংযোগ ব্যাহত ৰখাৰ সিদ্ধান্ত লৈছে।

উল্লেখযোগ্য যে কাইলৈ পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ আৰু দিনৰ ডেৰ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ চালক পদৰ পৰীক্ষা অনুষ্ঠিত হ'ব। তৃতীয় বৰ্গৰ মুঠ ৪ হেজাৰ ৫৫ টা পদৰ বাবে ৫ লাখ ২৯ হাজাৰ ৯৮৯ গৰাকী প্ৰাৰ্থী আৰু চালক পদৰ বাবে মুঠ ৮১৮ টা পদৰ পৰীক্ষাত ২ লাখ ৪ হেজাৰ ৯৯১ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে যাৱতীয় নীতি নিৰ্দেশনা জাৰি কৰিছে।

এই সন্দৰ্ভত আয়োগে জাৰি কৰা জাননী অনুসৰি পৰীক্ষাকেন্দ্ৰত প্ৰৱেশৰ সময়ত আৰক্ষী বা কৰ্তৃত্বশীল ব্যক্তিৰ দ্বাৰা প্ৰাৰ্থীসকলক মেটেল ডিটেক্টৰৰ লগতে হাতেৰে স্বাভাৱিকভাৱে তালাচী চলোৱা হ'ব। এই ক্ষেত্ৰত কোনো প্ৰাৰ্থীক যদি তালাচী চলোৱাৰ সময়ত প্ৰাৰ্থীগৰাকী অসুবিধাৰ সন্মুখীন হয়, তেন্তে সংশ্লিষ্ট প্ৰাৰ্থীগৰাকীয়ে তাৎক্ষণিকভাৱে কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াক অৱগত কৰাব পাৰিব। প্ৰৱেশপত্ৰ, বৈধ পৰিচয়পত্ৰ অবিহনে কোনো

প্ৰাৰ্থীকে পৰীক্ষাকেন্দ্ৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব বুলি উল্লেখ কৰা হৈছে। পৰীক্ষা অন্ত পৰাৰ পিছত প্ৰাৰ্থীসকলে প্ৰশ্নকাকতখন নিজৰ লগত আনিব পাৰিব। লগতে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত প্ৰদান কৰা OMR ছীটখনত থকা ৰোল নম্বৰ উত্তৰ কৰাৰ পূৰ্বে সঠিকভাৱে পৰীক্ষা কৰিবলৈ প্ৰাৰ্থীসকলক কোৱা হৈছে।

যোৰহাট জিলাতো কাইলৈ হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ বাবে যোৰহাট আৰক্ষীক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

কৰিমগঞ্জ জিলাত এই পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে প্ৰশাসনে প্ৰাৰ্থীসকলক প্ৰয়োজনীয় নিয়মাৱলী আৰু জৰুৰীৰ তথ্য সম্পৰ্কে অৱগত কৰিছে। এই অনুসৰি প্ৰাৰ্থীসকলে মোবাইল ফোন, অন্য কোনো বৈদ্যুতিন আহিলা, ষ্টৰেজ মিডিয়া ডিভাইছ, ব্লুটুথ, এয়াৰ ফোন আদি পৰীক্ষা গৃহলৈ লৈ যাব নোৱাৰিব বুলি কোৱা হৈছে। প্ৰৱেশপত্ৰৰ বাহিৰে আধাৰ কাৰ্ড, কলম, পৰিচয় পত্ৰ, লেবেল নথকা পানীৰ বতল, গাড়ী চালকৰ অনুজ্ঞাপত্ৰ ইত্যাদি গ্ৰহণযোগ্য হ'ব বুলি কোৱা হৈছে। এই নিৰ্দেশনাসমূহ উলংঘা কৰা ব্যক্তিক অসম ৰাজহুৱা পৰীক্ষা আইন ২০২৪ ৰ ধাৰা অনুসৰি শাস্তি বিহা হ'ব বুলি কোৱা হৈছে।

ৰাজ্যৰ অন্যান্য জিলাসমূহতো এই পৰীক্ষাৰ বাবে প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। পৰীক্ষাৰ সময়ছোৱাত অসাধু উপায় অৱলম্বন কৰাটো ৰোধ কৰাৰ উপৰি সমগ্ৰ প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত কৰাৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে।

০০০০

বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ৯ দিনীয়া বিদেশ ভ্ৰমণ কাৰ্যসূচীৰ সময়ত ডঃ ক্লাউডিয়া শ্বেইনবামৰ মেক্সিকোৰ ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ অনুষ্ঠানত ভাৰতৰ প্ৰতিনিধি হিচাপে অংশগ্ৰহণ কৰিব। এই উদ্দেশ্যেৰে আজি দিল্লীৰ পৰা শ্ৰী মাৰ্ঘেৰিটাই মেক্সিকো অভিমুখে ৰাওনা হ'ব। ইয়াৰ উপৰি এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে মেক্সিকো, গ্ৰেণাডা, বাৰ্বাডোছ আৰু এণ্টিগুয়া তথা বাৰ্বুডালৈ আনুষ্ঠানিকভাৱে ভ্ৰমণ কৰিব। ৫ খন দেশলৈ শ্ৰী মাৰ্ঘেৰিটাৰ এই তাৎপৰ্যপূৰ্ণ ভ্ৰমণকালত ৰাজনৈতিক, ব্যৱসায়িক তথা শৈক্ষিক বিষয়ত ভাৰতীয় মূলৰ নাগৰিকসকলৰ সৈতে বাৰ্তালাপ কৰা হ'ব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা প্ৰেছ বিজ্ঞপ্তিযোগে অৱগত কৰে। মন্ত্ৰালয়ে এই ভ্ৰমণকালত ভাৰত আৰু লেটিন আমেৰিকা তথা কেৰিবিয়ান দেশসমূহৰ আন্তঃসম্পৰ্ক আৰু অধিক শক্তিশালী হ'ব বুলি আশা প্ৰকাশ কৰে। ইয়াৰ লগতে গ্ল'বেল ছাউথৰ অংশীদাৰসকলৰ সৈতে অধিক সহযোগিতাৰ পথ মুকলি হ'ব বুলিও বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আশা ব্যক্ত কৰিছে। যাত্ৰাৰ প্ৰাক মুহূৰ্তত মন্ত্ৰীগৰাকীয়ে ভ্ৰমণৰ উদ্দেশ্যৰ বিষয়ে এনেদৰে কয় –

(বাইট)

০০০০

কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি কটন বিশ্ববিদ্যালয়ত আয়োজিত তৃতীয় ভাৰত-জাপান শিক্ষা সন্মিলনত অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত শ্ৰী ৰিজিজুৱে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে জাপানৰ সৈতে আন্তঃসম্পৰ্ক ত্বৰান্বিত কৰিবলৈ সমৰ্থ হৈছে। এই আন্তঃসম্পৰ্কত শিক্ষা এটা মূল চালিকা শক্তি বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শিক্ষা, বাণিজ্য আৰু সাংস্কৃতিক ক্ষেত্ৰত এই মিত্ৰতাই সৰ্বসাধাৰণৰ জীৱনো স্পৰ্শ কৰা বুলি মত প্ৰকাশ কৰি তেওঁ কয় যে উত্তৰ-পূব ভাৰতৰ শিক্ষাৰ্থীসকলে দুয়োখন দেশৰ মাজৰ অংশীদাৰী শিক্ষা ব্যৱস্থাৰ সুবিধা লোৱা উচিত। ভাৰত আৰু জাপানৰ

শৈক্ষিক অংশীদাৰিত্বই যৌথ গৱেষণাৰ লগতে উদ্ভাৱনী সুযোগসমূহৰ বিকাশতো সহায় কৰিব বুলি শ্ৰী ৰিজিজুৱে আশা প্ৰকাশ কৰে। ভাৰত-জাপান বাণিজ্যিক পৰিষদ বিবেকানন্দ কেন্দ্ৰ সাংস্কৃতিক প্ৰতিষ্ঠানৰ যৌথ উদ্যোগত আয়োজিত এই সন্মিলনত শিক্ষা মন্ত্ৰী ৰণোজ পেগুকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

অসম চৰকাৰে কৃষকসকলক তেওঁলোকৰ শস্য জমা কৰাত সুবিধা প্ৰদানৰ লগতে বিত্তীয় সাহায্য প্ৰদানৰ বাবে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। ৱেৰহাউচ ৰিছিপ্ত ফাইনেন্সিং শীৰ্ষক এই ব্যৱস্থাৰ দ্বাৰা কৃষকসকলে দুটাকৈ সুবিধা লাভ কৰিব। কৃষি উৎপাদিত সামগ্ৰীসমূহৰ সঠিক সংৰক্ষণ আৰু সংৰক্ষিত সামগ্ৰীৰ মূল্যৰ বিপৰীতে ঋণ প্ৰদান কৰা হ'ব। ইতিমধ্যে কৃষকসকলক ১২ লাখ ৬০ হাজাৰ টকাৰ ঋণ এই আঁচনিৰ অধীনত প্ৰদান কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিছে। ইয়াৰ সহায়ত কৃষকসকলে শস্য জমা কৰাৰ বাবে আধুনিক গুদামঘৰ লাভ কৰাৰ উপৰি কৃষকসকলক উন্নত বজাৰ লাভ কৰিব পৰাকৈ সময়মতে বিক্ৰী কৰাত সহায় কৰিব।

০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে স্বচ্ছতাই সেৱা কাৰ্যসূচী চলি থকাৰ সময়তে আজি ডিব্ৰুগড় চহৰৰ নলা-নৰ্দমা চাফা কৰি ৰাখিবৰ বাবে ডিব্ৰুগড় পৌৰ নিগমৰ পাঁচখন মিনি ছুপাৰ চাকাৰ মুকলি কৰে। তিনিটাকৈ ডাম্পটেংক সংযোগ হৈ থকা প্ৰতিখন ছুপাৰ চাকাৰে চহৰখনত সৰু সৰু উপ-পথসমূহ সংলগ্ন নলা-নৰ্দমাসমূহো পৰিষ্কাৰ কৰিবলৈ সমৰ্থ হ'ব। এই কাৰ্যসূচীত সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক প্ৰশান্ত ফুকন আৰু ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ তথা উপ-মেয়ৰকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ইফালে, স্বচ্ছতাই সেৱা-২০২৪ৰ অংশ হিচাপে আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ কৰ্মচাৰীসকলে কেন্দ্ৰটোৰ চাৰিওফালে চাফাই অভিযান হাতত লয়।

০০০০

মিজোৰামত কমনৱেল্থ সংসদীয় সংঘৰ একবিংশ বাৰ্ষিক সমাৰোহত অংশ লোৱাৰ বাবে যোৱা বৃহস্পতিবাৰে ৰাজ্যখনত উপস্থিত হোৱা লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি আইজলত স্বচ্ছতা অভিযানৰ অধীনত শ্ৰমদান কাৰ্যসূচীত অংশ লয়। তেওঁ আইজলৰ বৰাবজাৰত কেন্দ্ৰীয় চৰকাৰৰ ভোকেল ফৰ লোকেল কাৰ্যসূচীক উৎসাহিত কৰাৰ বাবে বাঁহৰ পৰা উৎপাদিত সামগ্ৰী ক্ৰয় কৰে। অধ্যক্ষগৰাকীয়ে আইজলৰ বৰাবজাৰত কিছুসময় অতিবাহিত কৰাৰ লগতে থলুৱা বিক্ৰেতা আৰু হস্তশিল্পীসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ লগতে অঞ্চলটোৰ স্থানীয় পঞ্চায়তৰ প্ৰতিনিধিসকলৰ সৈতেও মত বিনিময় অনুষ্ঠানত অংশ লয়।

০০০০

ভাৰতীয় ৰে'ল বিভাগে দুৰ্গা পূজা, দেৱালী আৰু ছট পূজাৰ বাবে অহা পহিলা অক্টোবৰৰ পৰা ৩০ নৱেম্বৰলৈ ছহেজাৰতকৈ অধিক বিশেষ ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে। উল্লেখযোগ্য যে প্ৰতি বছৰে ৰে'ল বিভাগে বৰ্ধিত যাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি উৎসৱৰ সময়ছোৱাত বিশেষ ৰে'লৰ চলাচলৰ ব্যৱস্থা কৰি আহিছে। যোৱা বছৰৰ তুলনাত এইবছৰ বিশেষ ৰে'লৰ সংখ্যা বৃদ্ধি হৈছে। যোৱা বছৰ এই সময়ছোৱাত ৪ হাজাৰ ৪২৯খন বিশেষ ৰে'ল চলাচল কৰোৱা হৈছিল।

বিশেষ ৰে'লৰ উপৰি ১০৮খন ৰে'লৰ সেৱাত অতিৰিক্ত সাধাৰণ দবা সংযোজন কৰা হৈছে।

০০০০

আজি বিশ্ব জলাতংক দিৱস। প্ৰতিষেধকবিহীন কুকুৰ বা অন্য জীৱ জন্তুৱে কামোৰাৰ ফলত দেখা দিয়া এই ৰোগ সন্দৰ্ভত বিশ্বজুৰি সজাগতা সৃষ্টিৰ বাবে এই দিৱস পালন কৰা হয়। এইবাৰৰ এই দিৱসৰ মূল বিষয় হ'ল ব্ৰেকিং ৰেবিজ বাউণ্ডেৰিজ অৰ্থাৎ জলাতংক ৰোগৰ সজাগতাৰ ক্ষেত্ৰত সীমা অতিক্ৰম কৰা। জৰীপ অনুসৰি প্ৰতিবছৰে সমগ্ৰ বিশ্বত এই ৰোগত ৫৯ হাজাৰ লোকৰ মৃত্যু হয়। বিশ্ব স্বাস্থ্য সংস্থাৰ দ্বাৰা স্বীকৃত জি এ আৰ চি নামৰ সংস্থাৰ উদ্যোগত ২০০৭ বৰ্ষৰ আজিৰ দিনটোত প্ৰথম বিশ্ব জলতংক দিৱস পালন কৰা হৈছে। জলাতংক ৰোগৰ প্ৰথমটো প্ৰতিষেধক বিকশাই তোলা ফৰাছি বিজ্ঞানী লুই পাষ্টৰৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি এই দিৱস উদযাপন আৰম্ভ হৈছিল। জলাতংক ৰোগৰ ফলত হোৱা মৃত্যু ৰোধ কৰাৰ লগতে পোহনীয়া জীৱ-জন্তুৰ টীকাকৰণ আৰু মুকলিকৈ ঘুৰি ফুৰা অন্য জীৱ জন্তু ৰোগাক্ৰান্ত হলে তেনে জন্তুৱে যাতে মানুহ বা অন্য জীৱ-জন্তুকৰ আক্ৰমণ কৰিব নোৱাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ আৰু চিকিৎসা ব্যৱস্থা কৰাৰ লক্ষ্যৰে এই দিৱসত সজাগতা সৃষ্টি কৰা হয়। আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিশ্ব জলাতংক দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়।

তেজপুৰত আজি বিশ্ব জলাতংক দিৱস উপলক্ষে সপ্তাহজুৰি চলা জলাতংক সজাগতা কাৰ্যসূচীৰ সমাপ্তি উপলক্ষে বিশেষ বৈঠকৰ আয়োজন কৰা হয়। বৈঠকত জলাতংক ৰোগৰ ক্ষেত্ৰত সামাজিক দায়িত্ববোধ হিচাপে লোৱা কাম-কাজ সন্দৰ্ভত আলোচনা কৰা হয়। জিলাখনৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ উদ্যোগত আয়োজিত এই বৈঠকত কেইবাগৰাকীও চৰকাৰী বিষয়া, খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ অধ্যাপককে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিশেষজ্ঞসকলে উত্তৰ পূৰ্বাঞ্চলত জলাতংকৰ পৰিস্থিতি, কুকুৰৰ আচৰণ আৰু বনাঞ্চলৰ সমীপৰ অঞ্চলসমূহত জনসাধাৰণৰ মাজত সজাগতাৰ অভাৱ সন্দৰ্ভত বিশেষ আলোকপাত কৰে। তেওঁলোকে জলাতংকৰ চিকিৎসাৰ বাবে পৰম্পৰাগত চিকিৎসাৰ পৰিৱৰ্তে আধুনিক চিকিৎসা ব্যৱস্থা আকোৱালি লোৱাৰ পোষকতা কৰাৰ লগতে জলাতংক আধিপত্য থকা অঞ্চলসমূহ চিনাক্ত কৰাৰ উপৰি বিদ্যালয়ৰ পাঠ্যক্ৰমত এই বিষয়ে সজাগতামূলক পাঠ অন্তৰ্ভুক্ত কৰিবলৈ আহ্বান জনায়।

তিনিচুকীয়া জিলাতো এই দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই সন্দৰ্ভত তিনিচুকীয়া অসামৰিক চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসা বিষয়া ডাঃ নিতু বৰুৱাই এইদৰে কয়।

বাইট

০০০০

সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহৰ অংশ হিচাপে আজি ওদালগুৰি জিলাতো সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত মোৱামাৰী প্ৰাথমিক বিদ্যালয়ত বিশেষ কাৰ্যসূচী হাতত লোৱা হয়। স্থানীয় লোক বিশেষকৈ মাতৃগোটসমূহক যোগ আৰু আয়ুস চিকিৎসাৰ জৰিয়তে সুস্বাস্থ্য গঢ় দিয়াৰ ক্ষেত্ৰত সজাগ কৰাৰ সমান্তৰালকৈ এই কাৰ্যসূচীত পুষ্টিকৰ খাদ্য, শিশু স্বাস্থ্য ইত্যাদি বিষয়ত প্ৰদৰ্শনীমূলক কাৰ্যসূচী হাতত লোৱা হয়। অনুষ্ঠানত ওদালগুৰিৰ শিশু উন্নয়ন প্ৰকল্প বিষয়াগৰাকীয়ে পোষণ মাহ উপলক্ষে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে।

ইফালে, সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে শিশু আৰু মহিলাৰ পৰিপুষ্টি সন্দৰ্ভত সজাগতা বৃদ্ধিৰ বাবে ৰাজ্যজুৰি অব্যাহত ৰথযাত্ৰা আজি তিনিচুকীয়া জিলাত প্ৰৱেশ কৰে। এই ৰথযাত্ৰাৰ জৰিয়তে জিলাখনৰ বিছাকুপি চাহ বাগিচা, দিয়ামূলী চাহ বাগিচা আৰু দৈ মুখীয়া চাহ বাগিচাত সজাগতা অভিযান চলোৱা হ'ব। আনহাতে তিনিচুকীয়া জিলাৰ মুঠ ১০ টা স্থান এই ৰথযাত্ৰাই পৰিভ্ৰমণৰ কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত-বিনিময় কৰিব। এয়া হ'ব এই অনুষ্ঠানৰ ১১৪ সংখ্যক খণ্ড তথা প্ৰধানমন্ত্ৰী মোদীৰ তৃতীয়বাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত চতুৰ্থটো খণ্ড।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে কাইলৈ দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন  সম্পূৰ্ণ হোৱা ক্ষণত চৰকাৰে সমাজ কল্যাণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। দেশক বিকাশৰ পথত অগ্ৰসৰ কৰিবৰ বাবে অন্ত্যোদয়ৰ নীতিৰ দ্বাৰা পৰিচালিত হৈ চৰকাৰে দৰিদ্ৰ, প্ৰান্তীয় আৰু পিছপৰি থকাসকলক সহায় কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কৈছে যে দেশৰ জনতাক দৰিদ্ৰতাৰ বিৰুদ্ধে যুজত সক্ৰিয় অংশগ্ৰহণকাৰী হ'বলৈ শক্তিশালী কৰাত চৰকাৰে মনোনিৱেশ কৰিছে।  তাৰ বাবে ১২ টা মূল সামাজিক খণ্ডৰ সূচকত ব্যাপক অগ্ৰগতি লাভ কৰিবলৈ ৫০০ টা অভিলাসী খণ্ড আৰু ১১২ খন অভিলাসী জিলাত সম্পূৰ্ণতা অভিযান আৰম্ভ হৈছে। নিচামুক্ত ভাৰত গঢ়াৰ বাবে মানস হেল্পলাইন আৰম্ভ কৰা হৈছে।

চৰকাৰে সামাজিক, আৰ্থিক আৰু ন্যায়িক সবলীকৰণত বিশেষ গুৰুত্ব আৰোপ কৰিছে। চৰকাৰে ঔপনিৱেশিক আইনৰ ঠাইত ৩ খন নতুন আইন প্ৰৱৰ্তন কৰি দ্ৰুত বিচাৰ আৰু ন্যায় সুনিশ্চিত কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত **স্বচ্ছতা হি সেৱা** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত ৰাজ্যিক পঞ্চায়তি ৰাজ আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ যুটীয়া সঞ্চালক সুৰজিৎ বৰগোঁহাই আৰু নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ মেডিচিন বিভাগৰ সহযোগী অধ্যাপক ডাঃ ভাস্কৰ ঠাকুৰীয়া সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰি মানস প্ৰতীম শৰ্মাই।

০০০০

ভাৰত আৰু বাংলাদেশৰ মাজত কানপুৰৰ গ্ৰীন পাৰ্কত চলি থকা দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলৰ দ্বিতীয় দিনাৰ খেল বৰষুণৰ বাবে এটাও বল নেখেলাকৈ পৰিত্যক্ত ঘোষণা কৰা হয়। উল্লেখযোগ্য যে বাংলাদেশে প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ লাভ কৰি কালি প্ৰথম দিনাৰ খেলৰ অন্তত ৩ উইকেটৰ বিনিময়ত ১০৭ ৰান কৰিছিল। বাংলাদেশৰ হৈ মমিউল হকে ৪০ ৰাণ আৰু মুছফিকুৰ ৰহিমে ৬ ৰাণ কৰি খেলি আছিল। ঘৰুৱা দল ভাৰতৰ হৈ আকাশ দীপে দুটা আৰু ৰবিচন্দ্ৰন অশ্বিনে এটা উইকেট দখল কৰে। ভাৰতে ইতিমধ্যে চেন্নাইত অনুষ্ঠিত প্ৰথমখন টেষ্টত ২৮০ ৰানত জয়লাভ কৰি শৃংখলাটোত অগ্ৰগতি লাভ কৰিছে।

০০০০

সমাপ্ত